**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-NOV-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠিত এজনীয়া ন্যায়িক আয়োগৰ সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ।

২। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন।

৩। বিশিষ্ট শিল্পী দীপক শৰ্মাৰ নশ্বৰ দেহত পুৱা গুৱাহাটীৰ বৰঝাৰ বিমান বন্দৰত অনুৰাগীৰ শ্ৰদ্ধা নিবেদন। আজি নৱগ্ৰহ শ্মশানত ৰাজ্যিক মৰ্যদাৰে শেষকৃত্য।

৪। ড° ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকী উপলক্ষে কাইলৈ ৰাজ্যজুৰি  বৰ্ণাঢ্য কাৰ্যসূচী।

**আৰু**

৫। চিৰাং জিলাত নাবালিকাক ধৰ্ষণৰ অভিযোগত অভিযুক্ত দুজনক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ ঘটনাৰ সাক্ষ্য গ্ৰহণৰ বাবে ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ এজনীয়া ন্যায়িক আয়োগে অহা ২১ নৱেম্বৰলৈ সাক্ষ্য গ্ৰহণ কৰিব। গুৱাহাটীৰ চানমাৰিৰ খাদী আৰু গ্ৰামোদ্যোগ বিভাগৰ চৌহদত এই আয়োগৰ সাক্ষ্য গ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। দিনৰ চাৰে ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ এই সাক্ষ্য গ্ৰহণ কৰা হ'ব। অৱশ্যে কালি প্ৰথমদিনা আয়োগৰ সন্মুখত কোনো লোকে সাক্ষ্য প্ৰদান নকৰিলে। উল্লেখযোগ্য যে এই আয়োগে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ চাৰিটা মূল বিষয়ৰ তদন্ত কৰিব। ইপিনে, কালি এছ আই টিয়ে কেইবাগৰাকীও ব্যক্তিৰ ভাষ্য গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৮ ডিচেম্বৰতে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ অভিযোগনামা দাখিল কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰিছে।

০০০০০০

স্নাতক ডিগ্ৰীধাৰী যুৱক-যুৱতীসকলক প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি চলোৱাৰ বাবে সহায় কৰাৰ লগতে স্বাৱলম্বী হোৱাৰ বাবে সহযোগিতা আগবঢ়াবলৈ কালি **মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনি**ৰ শুভাৰম্ভ কৰা হয়। ৰাজ্য চৰকাৰৰ দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ দ্বাৰা আয়োজিত এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই আঁচনিখন মুকলি কৰে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয়, যে মধ্যবিত্ত পৰিয়ালৰ যুৱক-যুৱতীসকলে স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত বিভিন্ন মানসিক কাৰণত পিতৃ-মাতৃৰ পৰা ধন ল'বলৈ কুণ্ঠাবোধ কৰে। যুৱক-যুৱতীসকলৰ মানসিক চাপৰ এই সমস্যা সহানুভূতিৰে লক্ষ্য কৰি অসম চৰকাৰে এই পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ড° শৰ্মাই এই অনুষ্ঠানত লগতে কয়, যে এবছৰৰ আৰ্থিক সহায়ে যুৱক-যুৱতীসকলক ভৱিষ্যতৰ বাবে সুস্থিৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে লক্ষ্যত উপনীত হোৱাত উদ্গনি যোগাব। এই ধৰণৰ পদক্ষেপ দেশৰ কোনো ৰাজ্যতে গ্ৰহণ কৰা হোৱা নাই বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

বাইট

এই আঁচনিৰ জৰিয়তে চাকৰিৰ সন্ধানত থকা যুৱক-যুৱতীসকলক বিভিন্ন পৰীক্ষাৰ প্ৰস্তুতিকে ধৰি অন্যান্য ক্ষেত্ৰত সহায়ক হোৱাকৈ এবছৰলৈ প্ৰতিমাহে দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ শিক্ষানুষ্ঠান অথবা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক ডিগ্ৰী লাভ কৰা যুৱক-যুৱতীসকলে এই আঁচনিৰ বাবে আবেদন কৰিব পাৰিব। শিক্ষাৰ্থীসকল অসমৰ স্থায়ী বাসিন্দা হ'ব লাগিব।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ আজি আৰম্ভ হ'ব। সত্ৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলী, লখিমপুৰ, ধেমাজি আৰু নামনি অসমৰ হাউলী, পলাশবাৰী, টিহু, নলবাৰী, পাঠশালা, পাটাছাৰকুছি, তামুলপুৰ, নগাঁও, মৰিগাঁৱকে ধৰি বিভিন্ন ঠাইত ৰাস উৎসৱৰ আয়োজন কৰা হৈছে। যোৱা এমাহজোৰা আখৰাৰ পাছত শিল্পী, কলা-কুশলীসকলে ৰাস মহোৎসৱৰ শ শ বছৰীয়া পৰম্পৰা পালনৰ বাবে সাজু হৈছে।

মাজুলীৰ ৬৭ খন ৰাস মহোৎসৱৰ কেইবাখনো আজিৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। জিলাখনৰ উত্তৰ-কমলাবাৰী সত্ৰত ৩৫২ বছৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শংকৰদেৱৰ অমৰ সৃষ্টি কেলিগোপাল নাটৰ আধাৰত ব্ৰজাৱলী ভাষাত আজি, কাইলৈ আৰু পৰহিলৈ কমলাকান্ত আতা ক্ষেত্ৰত ৰাস অনুষ্ঠিত হ'ব। এই ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় আৰু উত্তৰ কমলাবাৰী শংকৰদেৱ কৃষ্টি সংঘৰ সহযোগত 'মাজুলীৰ ৰাস লীলা, পৰম্পৰা, নান্দনিকতা আৰু প্ৰত্যাহ্বান' শীৰ্ষক এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আউনীআটী, চামগুৰি, বেঙেনাআটিকে ধৰি প্ৰায়বোৰ সত্ৰতে শ্ৰীকৃষ্ণৰ ৰাসলীলা উদযাপন কৰা হ'ব। ৰাসৰ পৰিপ্ৰেক্ষিতত ৬ নৱেম্বৰত মাজুলীত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে।

শিৱসাগৰ নগৰৰ সমীপৰ ঢুলীয়াপাৰত আজিৰে পৰা তিনি দিনীয়াকৈ ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। এইবাৰ ৮০ সংখ্যক বৰ্ষত ভৰি দিয়া ৰাস মহোৎসৱখন আজি মন্ত্ৰী যোগেন মহনে উদ্বোধন কৰিব।

নলবাৰীৰ শ্ৰী শ্ৰী হৰি মন্দিৰত কাইলৈৰ পৰা ১৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। ৰাস মহোৎসৱৰ দ্বিতীয় দিনা অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। দৰং জিলাৰ দীঘিৰপাৰত ১১ দিনীয়াকৈ ৰাসৰ আয়োজন কৰা হৈছে। গোগামুখৰ লটাক ৰাস মঞ্চত এইবাৰ ৰাস মহোৎসৱৰ সোণালী জয়ন্তী উদযাপন কৰিব। বাক্সা জিলাৰ পূব খাগৰাবাৰীৰ ৯২ সংখ্যক ৰাস মহোৎসৱ কাইলৈৰ পৰা সাদিনীয়াকৈ অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে জনাইছে।

***(বাইট ঃ দামোদৰ)***

৯৮ সংখ্যক বৰ্ষৰ বাবে আয়োজন কৰা হাউলি ৰাস মহোৎসৱত এইবাৰ সুধাকণ্ঠ ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতি বিশেষ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হ'ব। ইয়াৰ লগতে ৰাস মহোৎসৱৰ সৈতে সংগতি ৰাখি প্ৰদান কৰা হাউলি বঁটা বিশিষ্ট সাহিত্যিক তথা অভিযন্তা বন্দিতা ফুকনলৈ আগবঢ়োৱা হ'ব।

বিশ্বনাথতো সোণালী জয়ন্তী বৰ্ষ, বিশ্বনাথ ঘাট সাৰ্বজনীন ৰাস সমিতিৰ ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। এই ৰাস মহোৎসৱত কেলি গোপাল নাট আৰু শ্ৰীকৃষ্ণৰ শিশু লীলা প্ৰদৰ্শনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

কামৰূপ জিলাৰ পলাশবাৰী, মিৰ্জা অঞ্চলত ৰাসৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

০০০০০০

চেন্নাইৰ এখন চিকিৎসালয়ত কালি দেহাৱসান ঘটা বিশিষ্ট বাঁহীবাদক দীপক শৰ্মাৰ নশ্বৰদেহ আজি কিছু সময় পূৰ্বে বিমানেৰে অসমলৈ অনা হৈছে। বিমানবন্দৰত বাঁহী বাদকৰ দলে শিল্পীগৰাকীক বাঁহীৰ সুৰেৰে শ্ৰদ্ধাঞ্জলি জনায়।

ইয়াৰ পাছতে তেওঁৰ নশ্বৰ দেহ  গুৱাহাটীৰ অম্বিকাগিৰি নগৰৰ বাসগৃহলৈ লৈ অহা হৈছে। বাসগৃহত আত্মীয়-স্বজনে শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জনোৱাৰ পাছত অম্বিকাগিৰি নগৰৰ সেউজ সংঘৰ বাকৰিত শিল্পীগৰাকীক ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব। নৱগ্ৰহ শ্মশানত আজি বিয়লি ৰাজ্যিক মৰ্যাদাৰে শিল্পীগৰাকীৰ শেষকৃত্য সম্পন্ন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে অসমৰ সংগীত জগতলৈ অনবদ্য অৱদান আগবঢ়োৱা বাঁহীবাদকগৰাকী দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে তেওঁক চেন্নাইলৈ নিয়া হৈছিল। শেহতীয়াকৈ শিল্পীগৰাকীৰ স্বাস্থ্যৰ অৱস্থা অধিক জটিল হৈ পৰাৰ পাছত কালি পুৱা শিল্পীগৰাকীৰ মৃত্যু হয়।

নলবাৰী জিলাৰ পানীগাঁৱত জন্মগ্ৰহণ কৰা শিল্পীগৰাকীয়ে কলকতাৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা ইনষ্ট্ৰুমেণ্টেল মিউজিক বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰি গৱেষণাৰ কাম আৰম্ভ কৰে। কিন্তু গৱেষণাৰ কাম তেওঁ আধাতে এৰি পৰৱৰ্তী সময়ত প্ৰখ্যাত বাঁহীবাদক হৰিপ্ৰসাদ চৌৰাচিয়াৰ তত্বাৱধানত সংগীতৰ শিক্ষা গ্ৰহণ কৰে। সেই সময়তে তেওঁ কেইবাখনো হিন্দী চলচ্চিত্ৰ সংগীতত বাঁহী বজাইছিল। পৰৱৰ্তী সময়ত দীপক শৰ্মাই জুবিন গাৰ্গৰ বহু জনপ্ৰিয় গানত বাঁহীৰ সুৰ দিছিল। কেৱল এয়াই নহয় মুম্বাইত থকাৰ সময়তে তেওঁ দক্ষিণ আফ্ৰিকালৈ বাঁহী বাদনৰ বাবে আমন্ত্ৰিত হৈছিল। ইয়াৰ পিছত তেওঁ ছুইজাৰলেণ্ড, জাৰ্মানী, পোলেণ্ড, ফ্ৰান্স আদিকে ধৰি ৪২ খন দেশত অনুষ্ঠান পৰিৱেশন কৰিছিল।

আকাশবাণীৰ বি-হাইগ্ৰেড লাভ কৰা শিল্পীগৰাকী আকাশবাণী গুৱাহাটীৰ স্বীকৃতিপ্ৰাপ্ত সংগীত পৰিচালকো আছিল। তেওঁ কেইবাখনো অসমীয়া চিনেমাৰ সংগীত পৰিচালনাও কৰিছিল।

০০০০০০

ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কামৰূপ মহানগৰ জিলা প্ৰশাসনে কাইলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থত পুৱা ৯ বজাত আৰু লতাশিল খেল পথাৰত দিনৰ ১১ বজাত সুধাকণ্ঠৰ সাংস্কৃতিক অৱদান সুঁৱৰি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হ'ব। কামৰূপ মহানগৰ জিলাৰ কাৰ্যসূচীত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

কামৰূপ জিলাৰ জিলা সংহত কাৰ্যালয়ৰ সন্মুখত কাইলৈ বৰেণ্য শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিত মাল্যৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰা হ'ব। চাংসাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ড০ ভূপেন হাজৰিকাৰ মৃত্যু তিথি কেন্দ্ৰীয়ভাৱে পালন কৰা হ'ব। একেদৰে কামৰূপ জিলাৰ অধীনৰ ৰঙিয়া সম-জিলা আৰু পলাশবাৰী সম-জিলাতো শিল্পীগৰাকীক স্মৰণৰ বাবে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জিলাখনৰ কাৰ্যসূচীত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। কামৰূপ জিলাত আয়োজন কৰা বিভিন্ন কাৰ্যসূচী সন্দৰ্ভত জিলাখনৰ আয়ুক্ত দেৱকুমাৰ মিশ্ৰই এইদৰে কয়-

(বাইট)

ৰাজ্যৰ আন আন ঠাইতো কাইলৈ ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। **বৰপেটা** জিলাত সুধাকণ্ঠৰ মৃত্যু দিন উপলক্ষে ৫ হাজাৰ শিল্পীয়ে **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰিব। জিলাখনৰ আয়ুক্ত ৰোহন কুমাৰ ঝাই প্ৰকাশ কৰা মতে বৰপেটা পৌৰসভাৰ খেলপথাৰত দিনৰ ১১ বজাত সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি নিবেদনেৰে কাৰ্যসূচী আৰম্ভ হ'ব। অনুষ্ঠানত ৩৪ খন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ ল'ব।

তিনিচুকীয়া জিলাত বিষ্ণু-জ্যোতি সাংস্কৃতিক সমাজে ভূপেন্দ্ৰ সংগীত আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

কাৰ্বি আংলং জিলাৰ ডিফু কাছা ষ্টেডিয়ামতো সুধাকণ্ঠৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ৫ হাজাৰ শিল্পীয়ে মানৱশৃংখল কাৰ্যসূচী অনুষ্ঠিত কৰিব। সুধাকণ্ঠৰ অমৰসৃষ্টি **মানুহে মানুহৰ বাবে** গীতটিৰ পৰিৱেশনেৰে হাওবাঘাট আৰু বোকাজান মহকুমাৰ পৰা শিল্পী, জ্যেষ্ঠ নাগৰিক, ছাত্ৰ-ছাত্ৰী আৰু সাংস্কৃতিক সমাজৰ প্ৰতিনিধিৰ উপস্থিতিত এই মানৱশৃংখল গঢ়ি তোলা হ'ব।

বজালীত মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, বাক্সা জিলাত চৰণ বড়ো, বৰপেটাত চন্দ্ৰমোহন পাটোৱাৰী, ডিব্ৰুগড়ত প্ৰশান্ত ফুকন, ধেমাজিত ডাঃ ৰণোজ পেগু, বিশ্বনাথত অশোক সিংহল, বঙাইগাঁৱত ফণীভূষণ চৌধুৰী, কাছাৰ আৰু শ্ৰীভূমিত কৌশিক ৰয়, গোৱালপাৰাত নন্দিতা গাৰ্লোচা, গোলাঘাটত অজন্তা নেওগ, হাইলাকান্দিত কৃষ্ণেন্দু পাল, যোৰহাটত অতুল বৰা, মৰিগাঁৱত পিযুষ হাজৰিকা, নগাঁৱত কেশৱ মহন্ত, নলবাৰী আৰু তামুলপুৰত জয়ন্ত মল্লবৰুৱা, চৰাইদেউ আৰু শিৱসাগৰত যোগেন মহন, তিনিচুকীয়াত ৰূপেশ গোৱালা, চিৰাঙত উৰ্খাও গৌৰা ব্ৰহ্ম, দৰঙত সাংসদ দিলীপ শইকীয়া, লখিমপুৰত প্ৰদান বৰুৱা, হোজাইত কামাখ্যা প্ৰসাদ তাছা, শোণিতপুৰত ৰঞ্জিত দত্ত, পশ্চিম কাৰ্বি আংলঙত অমৰ সিং তিছ', ধুবুৰীত বিধায়ক নজৰুল হক, দক্ষিণ শালমাৰাত ৱাজেদ আলী চৌধুৰী, ডিমা হাচাওত ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেবুলাল গাৰ্লোচা, কাৰ্বি আংলঙত কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড০ তুলিৰাম ৰংহাং, কোকৰাঝাৰত বিটিচিৰ মুৰববী হাগ্ৰামা মহিলাৰী, মাজুলীত মিচিং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়া, ওদালগুৰিত বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য ৰেহন দৈমাৰীয়ে ভূপেন হাজৰিকাৰ মৃত্যু দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

oooooo

চিৰাং জিলাৰ কাজলগাঁৱৰ ছেচন ন্যায়াধীশৰ আদালতে কালি এগৰাকী নাবালিকাক ধৰ্ষণ আৰু সেই ঘৃণনীয় কাৰ্যৰ ভিডিঅ' প্ৰস্তুত কৰি সামাজিক মাধ্যমত ভাইৰেল কৰাৰ অপৰাধত দুগৰাকী অভিযুক্তক পক্‌ছ' আইনৰ অধীনত ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ ৰায়দান দিয়ে। ন্যায়াধীশ চি চতুৰ্বেদীৰ আদালতে কালি অভিযুক্ত ফিলিপ কাছোৱা আৰু চিমন বেচেৰাক এই ৰায় দিয়াৰ লগতে ২০ হাজাৰ টকাকৈ জৰিমণা বিহে। জৰিমণা আদায় নকৰিলে দুয়োগৰাকী অপৰাধীয়ে অতিৰিক্ত এবছৰকৈ কাৰাদণ্ডৰ শাস্তি ভূগিব লাগিব। উল্লেখযোগ্য যে যোৱা বছৰৰ ২ আগষ্টত চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ ৰুণীখাটা থানাৰ অন্তৰ্গত আই পোৱালি এলেকাত এগৰাকী নাবালিকাক ইমানুৱেল বেচেৰা আৰু এই দুগৰাকী অভিযুক্তৰ লগতে আন দুজন নাবালকে ধৰ্ষণ কৰিছিল। ভুক্তভোগী পৰিয়ালৰ এজাহাৰৰ ভিত্তিত পাঁচোগৰাকী অভিযুক্তক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল যদিও নাবালক দুজনক কৈশোৰ অপৰাধীৰ আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পৰৱৰ্তী সময়ত ৰুণীখাটা আৰক্ষীয়ে বাকী তিনিগৰাকী অভিযুক্তৰ বিৰুদ্ধে কাজলগাঁও আদালতত অভিযোগনামা দাখিল কৰে। অৱশ্যে ঘটনাৰ এগৰাকী মূল অভিযুক্ত ইমানুৱেল বেচেৰাই কাৰাগাৰৰ পৰা জামিন লাভ কৰাৰ পাছত আত্মহত্যা কৰে। কাজলগাঁও ছেচন ন্যায়াধীশৰ আদালতে বাকী দুগৰাকী অভিযুক্তক দৃষ্টান্তমূলক শাস্তি বিহে।

oooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহত বিশিষ্ট বাঁহীবাদক দীপক শৰ্মাৰ মৃত্যু, প্ৰকাশন পৰিষদৰ সাহিত্য বঁটাৰ বাবে গ্ৰন্থ আহ্বান, ৰাজ্যজুৰি শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ ব্যপক আয়োজন- আদি বাতৰিয়ে স্থান লাভ কৰিছে।

উত্তৰ-পূৰ উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি গুৱাহাটী আই আই টিত এন ই এচ টি ক্লাষ্টাৰ মুকলি আৰু ৬৩৫ কৌটিটকীয়া ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই বাতৰি দি আছাম ট্ৰিবিউন কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

জনজাতিকৰণৰ দাবীত আটাছুৰ নেতৃত্বত গোলাঘাটত হেজাৰ হেজাৰ লোকৰ সমাগম হোৱাৰ এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰকাশ কৰিছে। দৈনিক অসম কাকতত ধনৰ অবৈধ লেনদেনৰ গোচৰত অনিল আম্বানিৰ ৩ হাজাৰ ৮৩ কোটিৰ বিশাল সম্পত্তি এনফ'ৰ্চমেন্ট সঞ্চালকালয়ে জব্দ কৰাৰ বাতৰি প্ৰকাশ পাইছে। জুবিন গাৰ্গৰ মৃত্যু দুৰ্ঘটনা নহয়। এয়া হত্যাকাণ্ডহে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি জামীগুৰিহাটত কৰা এটা মন্তব্যৰে দৈনিক জনমভূমি কাকতে বাতৰি প্ৰকাশ কৰিছে। এই একেটা বাতৰিকে " আমাৰ সম" কাকতে ' দুৰ্ঘটনা নহয়, ৮ ডিচেম্বৰত জুবিনৰ হত্যাৰ চাৰ্জশ্বীট ' শিৰোনামেৰে প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত কাকতত অনুপ্ৰৱেশকাৰী বাংলাদেশী নাগৰিকৰ ভাৰতৰ ভূমিত প্ৰৱেশ কৰি বি এছ এফৰ জোৱানৰ সৈতে তুমুল বিতৰ্কত লিপ্ত হোৱাৰ এটা বাতৰি প্ৰকাশ কৰিছে। অসমীয়া খবৰ কাকতত 'মহিলা বিশ্বকাপ ক্ৰিকেট জয়ৰ অংশীদাৰ বোকাখাতৰ উমা চেত্ৰী' ৰোনামেৰে বিশ্ববাসীৰ সন্মুখত যোগ্যতা প্ৰতিপন্ন কৰা ভাৰতীয় মহিলা ক্ৰিকেট দলৰ বিজয় গৌৰৱৰ বাতৰি প্ৰকাশ কৰিছে। নূন্যতম সমৰ্থন মূল্যত কৃষকৰ পৰা ধান ক্ৰয়ৰ ক্ষেত্ৰত অসমে উল্লেখযোগ্য সফলতা লাভ কৰিছে। এই বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত বাবে গঠন কৰা এজনীয়া ন্যায়িক আয়োগে সাক্ষ্য গ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।। এই বাতৰি দ্যা চেন্টিনেল কাকতে প্ৰকাশ কৰিছে।

০০০০০০

দমদমা সাহিত্য সভাৰ ৰামধেনু উপ-সমিতিৰ উদ্যোগত দমদমা মহাবিদ্যালয়ত কালি কবিতা আবৃত্তিৰ কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে বিশিষ্ট আবৃত্তিকাৰ তথা আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত ঘোষক অৰুণী বৰা আৰু আকাশবাণী গুৱাহাটীৰ প্ৰচাৰণ কাৰ্যবাহী ইন্দ্ৰজিৎ দাস উপস্থিত থাকে। দমদমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰঞ্জন শৰ্মাই উদ্বোধন কৰা এই অনুষ্ঠানত কামৰূপ জিলা সাহিত্য সভা আৰু দমদমা সাহিত্য সভাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। অনুষ্ঠানৰ শেষত প্ৰসিদ্ধ বাঁহীবাদক দীপক শৰ্মাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি মৌন প্ৰাৰ্থনা জনোৱা হয়।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মেঘালয়, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা আৰু নাগালেণ্ডৰ বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত